**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২২৯/২০১৯**

**১৬ ডিচেম্বৰ পৰা তেজপুৰত আৰম্ভ হ'ব ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ কাম**

**তেজপুৰ ২২ নবেম্বৰ ২০১৯** :- ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশানুসাৰে অহা ১৬ ডিচেম্বৰৰ পৰা ৭১ নং-ঢেকীয়াজুলি, ৭২ নং-বৰছলা, ৭৩ নং-তেজপুৰ, ৭৪-ৰঙাপৰা আৰু ৭৫-চতিয়া বিধানসভা সমষ্টিৰ ফটোযুক্ত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ কৰা হব। ভৰতৰ নিৰ্বাচন আয়োগে ভোটাৰ তালিকা পৰীক্ষণ কাৰ্যসূচীৰ অন্তিম সময় সীমা অহা ৩০ নৱেম্বৰ'২০১৯ লৈ বঢ়ায় দিয়াৰ লগতে ভোটাৰ তালিকা বিশেষ সংশোধনী প্ৰক্ৰিয়াৰ কাৰ্যসূচীৰ কিছু সাল-সলনি কৰিছে। সেই অনুসৰি ১ জানুৱাৰী ২০২০ তাৰিখক ভিত্তি হিচাপে লৈ আৰম্ভ কৰা ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়াৰ লগত জড়িত সকলো প্ৰাৰম্ভিক কাম অহা ৩০ নৱেম্বৰ ২০১৯ৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব আৰু অহা ১৬ ডিচেম্বৰ' ২০১৯ তাৰিখে ফটোযুক্ত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হ'ব। সেই দিনাৰ পৰাই অৰ্থাৎ ১৬ ডিচেম্বৰৰ পৰা ১৫ জানুৱাৰী'২০২০ তাৰিখলৈ ভোটাৰ সকলৰ দাবী আৰু আপত্তি গ্ৰহণ কৰা হ'ব আৰু ২৭ জানুৱাৰী তাৰিখৰ ভিতৰত সেই দাবী আৰু আপত্তি সমূহ নিস্পত্তি কৰা হ'ব। একেদৰে ৪ ফেব্ৰুৱাৰী'২০২০ তাৰিখে পৰিপূৰক তালিকা প্ৰস্তুত কৰা হ'ব আৰু ৭ ফেব্ৰুৱাৰী'২০২০ তাৰিখে চূড়ান্ত ফটোযুক্ত ভোটাৰ তালিকাৰ প্ৰকাশৰ দিন ধাৰ্য্য কৰা হৈছে। ফটোযুক্ত ভোটাৰ তালিকাৰ এই সংশোধনী প্ৰক্ৰিয়াত জিলাখনৰ সকলো ভোটাৰ ৰাইজক নিজৰ নাম অৰ্ন্তভূক্ত কৰি সহযোগিতা আগবঢ়ালৈ জিলা উপায়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া মানবেন্দ্ৰ প্ৰতাপ সিঙে আহবান জনাইছে।